# 2013

## ASSAMESE

## ( Major )

Paper : 5.3

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ লিখা : ১×৭=৭

(ক) ‘‘সই কেবা শুনাইল শ্যাম নাম
কাণেৰ ভিতৰ দিয়া মৰমে পশিল গো
আকুল কৰিল মোৰ প্ৰাণ।’’

কবিতাংশ কোনগৰাকী কবিৰ ৰচনা ?

(খ) ‘ব্ৰজবুলি-গীতি-গুচ্ছ’ পাঠ্য পুথিখনৰ সম্পাদকগৰাকীৰ নাম কি ?

(গ) শ্ৰীকৃষ্ণৰ শৈশৱৰ বিচৰণ ক্ষেত্ৰৰ নাম কি ?

(ঘ) কবি বিদ্যাপতিৰ ‘কীৰ্তিলতা’, ‘কীৰ্তিপতাকা’ কি ভাষাত ৰচিত ?

(ঙ) বৈষ্ণৱ কবিসকলে ব্ৰজবুলি কাব্য ৰচনাৰ বাবে কোনখন গ্ৰন্থক উপজীৱ্য গ্ৰন্থ হিচাপে গ্ৰহণ কৰিছে ?

(চ) বিদ্যাপতিৰ গুণত মুগ্ধ হৈ ৰজা শিৱসিংহই তেওঁক কি উপাধি প্ৰদান কৰিছিল ?

(ছ) 'উজ্জ্বল নীলমণি' গ্ৰন্থখনৰ প্ৰণেতা কোন ?

২। (ক) শঙ্কৰদেৱৰ প্ৰথম বৰগীতটি তেওঁ কেতিয়া আৰু ক'ত ৰচনা কৰিছিল ? ২

(খ) বিদ্যাপতি তথা শঙ্কৰদেৱৰ ভাৱ আৰু ভাষাৰ সাদৃশ্য থকা গীতৰ দুটা উদাহৰণ দিয়া। ২

(গ) বঙ্গদেশৰ ব্ৰজবুলি কাব্য পৰম্পৰাৰ দুজন প্ৰধান কবিৰ নাম লিখা। ২

(ঘ) উৰিষ্যাৰ বৈষ্ণৱসাহিত্যৰ শ্ৰেষ্ঠ কবি ৰায় ৰামানন্দ উৰিষ্যাৰ কোনগৰাকী ৰজাৰ ৰাজকৰ্মচাৰী আছিল আৰু তেওঁ কোন ঠাইত ৰাজশাসন চলাইছিল ? ২

৩। ব্যাখ্যা কৰা (যি কোনো তিনিছোৱা) : ৫×৩=১৫

(ক) ভোৰহি সহচৰী কাতৰ দিঠি হেৰি ছলছল লোচন পানি।
অনুখন ৰাধা ৰাধা ৰটইত আধা আধা কহু বাণী॥

(খ) ঝম্পি ঘন গৰজন্তি সন্ততি
ভুৱন ভৰি বৰসান্তিয়া।
কান্ত পাহুন কাম দাৰুণ
সঘনে খৰ শৰ হান্তিয়া॥

(গ) কমন ভাগ্যৱতী ভয়োৰে সুপৰভাত
আজু ভেটব মুখ-চান্দা।
উগত সুৰ দূৰ গয়োৰে গোবিন্দ
ভয়ো গোপবধু আন্ধা॥

(ঘ) শূন্য ভৈল অঙ্গিনা বিৰিন্দা বিপিন
না সোহে ৰয়নী জৈছে চান্দবিহীন॥

(ঙ) খালি উদৰে হৰি হাত নিৰেশিয়ে
দেখত বোলত বাণী।
আপুন তনয়কহো দুখ দেখিয়ে মাই
নয়নে ঝুৰাৱত পানী॥

৪। (ক) ব্ৰজবুলি সাহিত্যৰ ভাষাৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে এটি সমীক্ষা আগবঢ়োৱা। ১০

*অথবা*

(খ) তোমাৰ পাঠ্যত থকা শঙ্কৰদেৱ আৰু বিদ্যাপতিৰ বিৰহ-বিষয়ক কবিতাকেইটিৰ বিষয়বস্তুৰ আভাস দি এটি তুলনামূলক আলোচনা দাঙি ধৰা।

(গ) নায়িকাৰ ৰূপসমূহ কি কি? প্ৰত্যেকবিধৰ বিষয়ে চমুকৈ আলোচনা কৰা। ১০

*অথবা*

(ঘ) "মাতৃ হৃদয়ৰ চিৰন্তনতা প্ৰকাশেই হৈছে মাধৱদেৱৰ 'চিৰন্তন মাতৃ' কবিতাৰ অন্তৰ্নিহিত বিষয়।" উপযুক্ত উদ্ধৃতি দি সন্দৰ্ভ বিষয় স্পষ্ট কৰা।

(ঙ) বিদ্যাপতিৰ 'বৰ্ষাত বিৰহ' আৰু গোবিন্দদাসৰ 'বৰ্ষাভিসাৰ' কবিতা দুটিৰ জৰিয়তে ব্ৰজবুলি কাব্যৰ বিৰহত বৰ্ষা ঋতুৰ প্ৰাধান্যই সৃষ্টি কৰা কাব্যিক সৌন্দৰ্য সম্পৰ্কে এটি বিশ্লেষণ দাঙি ধৰা। ১০

*অথবা*

(চ) 'অভিসাৰিকা' আৰু 'প্ৰোষিতভৰ্তৃকা' নায়িকা বুলিলে কি বুজা? তোমাৰ পাঠ্যৰ এই বিষয়ক গীত দুটিৰ জৰিয়তে স্পষ্টভাৱে বুজাই দিয়া।

★★★

Date
6-12-013